# অসম বিধান সভা

## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ২১

**বিষয়ঃ আঁচনি।**

**শ্ৰী ছামছুল হুদা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিত কিমান কিলোমিটাৰ দৈৰ্ঘ্যৰ মাটি নদীৰ গৰাখহনীয়াৰ কৱলত পৰি আছে? কিমানটা মথাউৰি আছে? গৰাখহনীয়া ৰোধ কৰিবলৈ নতুনকৈ মথাউৰি বা আন বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

(খ) ২০২৪-২৫, ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ গৰাখহনীয়া ৰোধ কৰিবলৈ কি কি আঁচনিৰ নামত কিমান কিমান টকাৰ অনুদান দিছিল? সমষ্টিটোৰ ক'ত ক'ত কাম কৰা হ'ল? (চৰজমিন তদন্ত কৰি বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰে যেন)।

(গ) যোৱা ৫টা বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ কিমানটা পৰিয়াল বানপানী, গৰাখহনীয়াত ক্ষতিগ্ৰস্থ হৈছে? কিমান পৰিয়ালে চৰকাৰী সাহাৰ্য্য লাভ কৰিলে? তথ্য দাখিল কৰিব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) নতুনকৈ গঠিত হোৱা বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ সোঁপাৰ আৰু বাঁওপাৰৰ খহনীয়া গ্ৰস্থ অঞ্চল সমূহৰ তালিকা দৈৰ্ঘ্য সহকাৰে *Annexure-A* ত সন্নিবিষ্ট কৰা হ'ল।

বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে অৱস্থিত নিচিনপুৰৰ পৰা টেকনা (B/Dyke from Nisimpur to Tekona) লৈ ৭.২ কিঃমিঃ আৰু ফকিৰগঞ্জ অঞ্চলত (Fakirganj road cum bandh) ১.০৯ কিঃমিঃ দৈৰ্ঘ্যৰ দুটা মথাউৰি আছে।

ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা (প্ৰস্তাৱিত বীৰসিং জৰুৱা) সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীৰ বাওঁপাৰে অৱস্থিত অতি খহনীয়া প্ৰৱণ তথা স্পৰ্শকাতৰ অঞ্চল সামৰি 8.৭ কিঃমিঃ এলেকাৰ স্থায়ী প্ৰতিৰোধৰ বাবে ADB ৰ অধীনত "Climate Resilient Brahmaputra integrated flood and River bank erosion risk management project in Dhubri District Phase-II (Additional financing) নামাকৰণেৰে ৮২.১৮ কোটি টকা ব্যয় সাপেক্ষে এখন আঁচনিৰ নিবিদা ইতিমধ্যে আহ্বান কৰা হৈছে। নিবিদা প্ৰক্ৰিয়া সম্পন্ন হলে আঁচনিখন ৰূপায়ন কৰা হব বুলি আশা কৰা হৈছে।

খ) ফকিৰ গঞ্জ অঞ্চলটো গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ যোৱা ২০২৪-২৫ বিত্তীয় বৰ্ষত NABARD (RIDF-XXX) ৰ অধীনত "Bank protection measures to protect Fakirganj and its U/S and D/S reaches on L/B of river Brahmaputra." নামাকৰণেৰে আৰু ৭.০০ কোটি টকা ব্যয় সাপেক্ষে এখনি আঁচনিৰ অনুমোদন দিয়া হৈছিল লগতে ১৪.৯৩ কোটি টকাৰ Flood fighting metarials ৰ অনুমোদন লাভ কৰা হয় আৰু আঁচনিখনৰ কাম চলি আছে। ইয়াৰ উপৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত "Pro-Siltation measures to protect Namachala and its adjoining areas from the erosion of river Brahmaputra." নামাকৰণেৰে আৰু ২.৫০ কোটি টকা ব্যয় সাপেক্ষে নামাচলা অঞ্চল খহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে অনুমোদন দিয়া হয় আৰু আঁচনিখনৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। আঁচনি দুটা সম্পূৰ্ণ হলে অঞ্চল দুটা খহনীয়াৰ পৰা পৰিত্ৰাণ পাব বুলি আশা কৰা হৈছে।

গ) উক্ত বিষয়টো জলসম্পদ বিভাগৰ আঁওতাত নপৰে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা (Revenue & DM) বিভাগৰ পৰা পোৱা তথ্য (চিঠি নং- eCF.NO. 754589/16 Dt. 13.02.2026 Annexure-Bত সংলগ্ন কৰা হ'ল)

*( উক্ত প্ৰশ্নৰ সৈতে Annexure-A আৰু Annexure-B অনলাইন যোগে দাখিল কৰা হ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

**অসম বিধান সভা**
**তৰা চিহ্নিত প্ৰশ্ন নং : ২২**
**উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬**

**বিষয়ঃ মঞ্জুৰীকৃত ধন / MSDP ৰ আঁচনি।** **শ্ৰী নজৰুল হক,মাননীয় বিধায়ক**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সমগ্ৰ অসমত সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগে বিভিন্ন শিতানত কি কি আঁচনি গ্ৰহণ কৰিছে ? শিতান আৰু বৰ্ষ ভিত্তিক আঁচনিৰ তালিকা, মঞ্জুৰীকৃত ধনৰ পৰিমানসহ বিতং তথ্য সদনত দাখিল কৰিব।

(খ) বেনীফিচাৰী কিহৰ ভিত্তিত প্ৰস্তুত কৰা হয় ? ইয়াৰ বাবে কিবা নীতি নিৰ্দেশনা আছে নেকি ? যদি আছে নীতি নিৰ্দেশনাৰ কপি সদনত দাখিল কৰিব।

(গ) ধুবুৰী জিলাত **MSDP** ৰ অধীনত গৃহীত কি কি আঁচনি সম্পূৰ্ণ হৈছে আৰু কি কি আঁচনি এতিয়ালৈ সম্পূৰ্ণ হোৱা নাই ? অসম্পূৰ্ণ আঁচনিসমূহ কেতিয়ালৈ সম্পূৰ্ণ হৈ উঠিব ? আঁচনি সমূহৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব।

**উত্তৰ**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সমগ্ৰ অসমত সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগে বিভিন্ন শিতানত, ই ৰিক্সা, চিলাই মেচিন, ফেশ্বন ডিজাইন মেচিন বিতৰণ , বেছেলোৰ অব মেডিকেল লেব্ৰোটেৰি টেকনোলজী (বি.এম.এল.টি), ডিপ্লোমা ইন মেডিকেল লেব্ৰোটেৰি টেকনোলজী, এ.এন.এম পাঠ্যক্ৰমৰ প্ৰশিক্ষণ, জি.এন.এম পাঠ্যক্ৰমৰ প্ৰশিক্ষণ আদি বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰা হয়। শিতান আৰু বৰ্ষ ভিত্তিত আঁচনিৰ তালিকা, মঞ্জুৰীকৃত ধনৰ পৰিমান সহ বিতং তথ্য www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া আছে।

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত PMJVK ৰ অধীনত কোনো নতুন আঁচনি ৰূপায়ণ কৰা হোৱা নাই যদিও পূৰ্বৰ পৰা চলি থকা আঁচনি সমূহৰ বাবে মুকলি কৰি দিয়া পুঁজিৰ বিতং তথ্য তলত দিয়া হ'ল আৰু এই পুঁজিৰ আঁচনিৰ পৰিৱৰ্তে খৰছৰ বিতং তথ্য **পৰিশিষ্ট "ক"** ত দিয়া হ'ল।

| বিত্তীয় বৰ্ষ | কেন্দ্ৰীয় পুঁজি | ৰাজ্যিক পুঁজি |
|---|---|---|
| ২০২২-২৩ | ১৬১৩০,৪৯ | ৩৩৬৮.৭৯ |
| ২০২৩-২৪ | ৫৭.৫৩ | ১৬.৫০ |
| ২০২৪-২৫ | ১২৯০০.০০ | ১৪৩৩.৩৩ |

(খ) প্ৰতিখন আঁচনিৰ নিৰ্দিষ্ট নিৰ্দেশনাৱলীৰ ওপৰত ভিত্তি কৰি হিতাধিকাৰীসকলৰ তালিকা প্ৰস্তুত কৰা হৈছে, যিবোৰ www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'খ'** ত সংলগ্ন কৰা হৈছে।

(গ) ধুবুৰী জিলাত MSDP/PMJVK ৰ অধীনত মুঠ গৃহীত আঁচনিৰ সংখ্যা- ১৮০০৩ খন সম্পূৰ্ণ হোৱা আঁচনিৰ সংখ্যা- ১৪৩৬৫ খন ড্ৰপ আঁচনিৰ সংখ্যা- ৩৬৩৮ খন বৰ্তমান অসম্পূৰ্ণ আঁচনি নাই। ধুবুৰী জিলাৰ MSDP/PMJVK ৰ অধীনত সম্পূৰ্ণ হোৱা আঁচনি সমূহৰ বিতং তথ্য www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'গ'** দিয়া হল

---

## অসম বিধান সভা

## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ২৩

**বিষয়ঃ কাটাখাল নদী খনন।**

**শ্ৰী জাকির হুসেন লস্কর, বিধায়ক**

**মাননীয় জল সম্পদ বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কী:**

**-প্ৰশ্ন-**

(ক) কাটাখাল নদীর ডানতীরে লালামুখ বাগান, ওয়াংখাইলাংকা ও তছলা নদী বাঁধ কে বাঁচাতে কাটাখাল নদীর নিমাইচান্দপুর থেকে রাজ্যশ্বরপুর অংশে মাত্র ১০০-১৫০ মিটার জায়গা নদী খনন করলে পূর্ব হাইলাকান্দি অঞ্চলের কয়েক হাজার মানুষ বন্যার করাল গ্রাস থেকে রক্ষা পাবেন। এই বিষয়ে সরকার কি অবগত?

(খ) যদি হ্যাঁ, তাহলে কাটাখাল নদীর এই অংশে নদী খনন কাজের কি কোনো পরিকল্পনা আছে? বিস্তারিত তথ্য সদনে জানানোর জন্য অনুরোধ করছি।

(গ) গত বিধানসভা অধিবেশনে এই প্রশ্নের উত্তরে মাননীয় বিভাগীয় মন্ত্রী মহোদয় জানিয়েছিলেন যে সরকার এই বিষয়ে ব্যবস্থা গ্রহণ করবে। সরকার কি বর্তমান শুকনো মরশুমে এই খনন কাজ আরম্ভ করবে? কেননা এই নদী সমস্যার জন্য প্রতি বছর বর্ষা মরশুমে কাটাখাল নদীর পূর্বপারের ৫-৬ টি চা বাগান সহ বিভিন্ন উন্নয়নমূলক কাজ সহ বৃহত্তর এলাকার কয়েক হাজার মানুষ বন্যার জলে প্লাবিত হয়ে থাকে। বিস্তারিত জানানোর জন্য অনুরোধ করছি।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

(ক) হয়। জলসম্পদ বিভাগ এই বিষয়ে অৱগত।

(খ) নদীখনন কৰিবলগা এই ১৫০-২০০ মি অংশত জৰীপ আৰু গভীৰ অধ্যয়ন ও সম্ভাব্যতৰ অনুধাবনৰ কাৰণে NIT Silchar ক এখন পত্ৰ প্ৰেৰণ কৰা হৈছে। NIT Silchar ৰ পৰ্যালোচনা কৰাৰ পাছত Memo of Works তৈয়াৰ কৰি কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদনৰ বাবে পঠোৱা হ'ব। NIT Silchar লৈ প্ৰেৰণ কৰা চিঠিৰ প্ৰতিলিপি **Annexure-A** ত উল্লেখ কৰা হ'ল।

(গ) এতিয়ালৈকে কোনো পৰিকল্পনা হাতত লোৱা হোৱা নাই।

**(এই উত্তৰৰ সৈতে Annexure-A অনলাইন যোগে দাখিল কৰা হ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

**ASSAM LEGISLATIVE ASSEMBLY**
**STARRED QUESTION NO.: 24**
**DATE OF REPLY: 18-02-2026**

Sub : **Wakf properties in Assam** Shri Abdur Rashid Mandal, Hon'ble MLA

Will the Minister of Welfare of Minorities and Development Department be pleased to state:

(a) Is it true that the Enquiry Conducted in 2013 on Wakf properties in Assam found involvement of Wakf Board Officials in misappropriation of income generated from Wakf properties? If true, what actions taken against those officials ?

(b) Please furnish copy of Enquiry Report Conducted in December, 2013 and action taken reports on its recommendations in details.

(c) Whether the erstwhile Chief Minister of Assam announced judicial enquiry into the alleged anomalies in the use of Wakf properties ? If yes, please furnish copy of the Enquiry Report and details of action taken.

(d) How much areas of Wakf land is there in Assam, how much areas encroached, amount received annually against rent or lease of Wakf properties, relevant Act to check encroachment, mortgage, unauthorized sale and occupation of Wakf properties.

(e) How the rent and lease agreement is fixed by the Mutawalis? Does it conform to the rate set by the prevailing rules and laws ? Please furnish in details with relevant rules and laws .

**ANSWER**

Hon'ble Minister, Smti. Nandita Gorlosa, Welfare of Minorities and Development Department will reply :

(a) As per the recommendation of House Committee Report on Wakf Estate & Properties, the matter was examined and it was found that no officials were involved in misappropriation of income generated from Wakf properties.

(b) Copy of the Report of House Committee on Wakf Estates & Properties Conducted in December, 2013, is enclosed at **www.cms.neva.gov.in** as **Annexure–A**.

As per the report of the House Committee, action in respect of one Wakf Estate was taken by the Assam Board of Wakfs by issuing notices to the Mutawali vide Letter No. ABW.XII-K/2015/118 dated 24-04-2015 and Letter No. ABW.XII-K/2015/117 dated 24-04-2015, directing him to produce copies of money receipts relating to payment of 7% contribution of the concerned Wakf Estate for the financial year 2009–2010.

After submission of the money receipts by the Mutawali, the same were verified by the then Audit Officer of the Assam Board of Wakfs and it was clarified that no discrepancy or misappropriation of funds was found in respect of the said Wakf Estate.

In regard to other Wakf Estates, several actions have been taken by the office of the Assam Board of Wakfs to ensure increase in revenue generation from Wakf Estates and to prevent misappropriation of funds, as detailed below:

1. Show Cause Notices were issued to the Mutawalis vide No. ABW.XIII/K-13/420 dated 13-12-2017 due to non-execution of lease agreements with the occupants of Wakf Estates. Further, the Board issued notices and Show Cause Notices to the occupants of Wakf Estates vide No. ABW.VII-J/2/2012/283 dated 12-01-2023 and No. ABW.K/O/53/2023/29 dated 01-08-2023, directing them to execute lease agreements with the Mutawalis of the respective Wakf Estates. Further, the concerned District Commissioners were also requested to inquire and submit report on illegal encroachment of Wakf properties as per provisions of the Wakf Act, 1995 (as amended in 2013)/UMEED Act, vide letter No. ABW.XI-6/2015/29 dtd. 16th October, 2025. and No. ABW.33/2022/39 dtd. 20th January, 2026.

2. The Board also issued notices to all Mutawalis directing them to submit statements of accounts of Wakf Estates every financial year, in accordance with the provisions of the Wakf Act and Rules.

3. In regard to the misappropriation of funds and record keeping, adequate measures have been taken by the Ministry of Minority Affairs, Govt. of India, where a portal has been launched to monitor the Wakf properties as well as accounts module.

(c) No judicial enquiry was ordered or conducted in the matter.

(d) As per records, Wakf Estates covering an area of 6,104 acres (equivalent to 18,466 bighas) have been registered with the Assam Board of Wakfs across the State of Assam.

As per available records, the total area of encroachment is approximately 1,345 bighas (i.e., about 444 acres) of Wakf land, spread across 15 (fifteen) Wakf Estates in different parts of the State of Assam.

Details of annual income received during the last five years from rent/lease of Wakf properties are enclosed at **www.cms.neva.gov.in** as **Annexure–B**.

The Wakf properties are governed by the Unified Wakf Management Empowerment, Efficiency and Development Act, 2025 (UMEED Act), and Wakf Properties Lease Rules, 2014 (as amended in 2020).

(e) Assam Board of Wakf forwarded Wakf properties Lease Rule 2014 as amended 2020 to all the Mutawalis of the Wakf Estates for implementation in regard to the execution of lease agreement with lease holders. Copy of Wakf Properties Lease Rule, 2014 (as amended in 2020) is enclosed at **www.cms.neva.gov.in** as **Annexure- C**.

*****************

**অসম বিধান সভা**

**তঁৰা চিহ্নীত প্ৰশ্ন নং-২৫**

**উত্তৰ দিয়াৰ তাৰিখ-১৮-০২-২০২৬**

বিষয়: অরুণোদয় প্রকল্প বাস্তবায়নে অনিয়ম সংক্রান্ত ।

শ্রী খলিল উদ্দিন মজুমদার :

মাননীয় সামাজিক ন্যায় ও সবলীকরণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী :

(ক) অরুণোদয় প্রকল্পের আওতায় আয়োজিত সভা / মিটিংয়ের মাধ্যমে নির্ধারিত সংখ্যক আবেদনপত্র সংশ্লিষ্ট কর্মীদের নিকট বিতরণ করা হয় এবং সেই অনুযায়ী সম্পূর্ণভাবে পূরণকৃত আবেদনপত্র জেলা প্রশাসকের কার্যালয়ে যথাযথভাবে জমা দেওয়া সত্বেও প্রায় ৩০ শতাংশ আবেদনপত্র অনলাইনে আপলোড না হয়ে বাদ পড়ে যাচ্ছে- এর প্রকৃত কারণ কী ?

(খ) উক্ত আবেদনপত্রগুলো কোন পর্যায়ে, কোন কর্তৃপক্ষের নির্দেশে এবং কী যুক্তিতে বাতিল বা বাদ দেওয়া হয়েছে- সে বিষয়ে সরকার কি অবগত ?

(গ) অরুণোদয় প্রকল্পের বহু ক্ষেত্রে প্রকৃত উপভোক্তার নামে আবেদনপত্র পূরণ করা হলেও ব্যাংক আকাউন্ট হিসেবে অন্য ব্যক্তির অ্যাকাউন্ট সংযুক্ত করা হয়েছে, যা একটি গুরুতর আর্থিক অনিয়ম ও দুর্নীতির শামিল । এই ধরনের অনিয়মের সঙ্গে জড়িত সংশ্লিষ্ট কর্মকর্তা / কর্মচারী বা ব্যক্তিদের বিরুদ্ধে সরকার ইতিমধ্যে কী ব্যবস্থা গ্রহণ করেছে অথবা ভবিষ্যতে কী ধরণের শাস্তিমূলক ব্যবস্থা গ্রহণ করার পরিকল্পনা রয়েছে ?

(ঘ) বহু বিধবা নারী, তালাকপ্রাপ্ত (ডিভোর্সি) মহিলা এবং শারীরিকভাবে প্রতিবন্ধী প্রকৃত যোগ্য ব্যক্তির নাম অরুণোদয় প্রকল্পের উপভোক্তা অলিকা থেকে বাদ পড়েছে- এর প্রকৃত কারণ কী ?

(ঙ) যেহেতু সংশ্লিষ্ট ব্যক্তিরা নির্ধারিত সময়ের মধ্যে যথাযথভাবে আবেদনপত্র জমা দিয়েছেন এবং সমস্ত যোগ্যতা পূরণ করেন, সেক্ষেত্রে তাদের নাম অন্তর্ভুক্তি না হওয়ায় পিছনে কে বা কারা দায়ী এবং সরকার এ বিষয়ে কী পদক্ষেপ গ্রহণ করবে ?

**উত্তৰ**

মাননীয় সামাজিক ন্যায় ও সবলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ মহোদয়াই উত্তৰ দিছে।

ক) ১৯ ছেপ্টেম্বৰ, ২০২৪ তাৰিখে জাৰি কৰা **অৰুণোদয় ৩.০** আঁচনিৰ নিয়মাৱলীৰ দফা ২.৩ আৰু ২.৪ ত হিতাধিকাৰী বাছনিৰ অন্তৰ্ভুক্তি আৰু কৰ্তনৰ চৰ্ত স্পষ্টভাৱে নিৰ্ধাৰণ কৰা আছে।

ইয়াৰ উপৰিও, নিয়মাৱলীত জিলা, উন্নয়ন খণ্ড আৰু স্থানীয় পৌৰ নিকায় (ULB) পৰ্যায়ত বহুমুখী লগইন ব্যৱস্থাৰ জৰিয়তে আবেদন দাখিল, আপলোড আৰু অনুমোদনৰ ব্যৱস্থা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পন্ন কৰাৰ বিধান আছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত লাভ কৰা সকলো হিতাধিকাৰীৰ আবেদন উক্ত নিয়মাৱলী অনুসৰি প্ৰক্ৰিয়াকৰণ কৰা হৈছে।

খ) অৰুণোদয় ৩.০ আচঁনিৰ নিয়মাৱলীত স্পষ্টভাৱে নিৰ্ধাৰিত কৰ্মপদ্ধতি, সময়সীমা আৰু বহুস্তৰীয় পৰীক্ষণৰ ব্যৱস্থা থকাৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

গ) যথাযথ পৰীক্ষা-নীৰীক্ষা আৰু ক্ষেত্ৰ পৰ্যায়ৰ পৰীক্ষণৰ অন্তত আবেদনসমূহ জিলা স্তৰৰ পৰ্যবেক্ষণ সমিতি (DLMC)ৰ আগত অনুমোদনৰ বাবে উপস্থাপন কৰা হয়। এই সমিতিত মাননীয় বিধায়কসকল সদস্য হিচাপে অন্তৰ্ভুক্ত থাকে আৰু DLMC ৰ অনুমোদনৰ পাছতহে আবেদনসমূহ আচঁনিৰ প’ৰ্টেলত অন্তৰ্ভুক্তি নিশ্চিত কৰা হয়।

তদুপৰি, যিকোনো অসাৱধানতাবশত হোৱা তথ্য প্ৰৱিষ্টিৰ ত্ৰুটি ধৰা পৰিলে সংশোধন আৰু শুদ্ধিকৰণৰ ব্যৱস্থা প’ৰ্টেলত আছে, যাতে কাৰিকৰী ভুলৰ বাবে যোগ্য হিতাধিকাৰী বঞ্চিত নহয়।

ঘ) অৰুণোদয় আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ বাছনি, অগ্ৰাধিকাৰ নিৰ্ধাৰণ, অন্তৰ্ভুক্তি আৰু কৰ্তন সম্পূৰ্ণৰূপে আচঁনিৰ নিয়মাৱলী অনুসৰি সম্পন্ন কৰা হয়। এই সমগ্ৰ প্ৰক্ৰিয়া জিলা স্তৰৰ পৰ্যবেক্ষণ সমিতি (DLMC)ৰ সামূহিক দায়িত্বৰ অধীনত পৰিচালিত হয়, য’ত মাননীয় বিধায়কসকল সদস্য হিচাপে আছে।

ঙ) যিহেতু, আচঁনিখনৰ নিয়মাৱলীত উল্লেখিত সু-সংগঠিত, বহুস্তৰীয় পৰীক্ষণ আৰু অনুমোদন ব্যৱস্থাৰ জৰিয়তে আবেদনসমূহ প্ৰক্ৰিয়াকৰণ কৰা হয়, গতিকে উক্ত বিষয়ত প্ৰশ্ন নুঠে।

*******

**অসম বিধান সভা**
**তৰা চিহ্নিত প্ৰশ্ন নং : ২৬**
**উত্তৰ দিয়া তাৰিখ : ১৮/০২/২০২৬**

বিষয়ঃ **PMJVK, Scholarship etc.** শ্ৰী আমিনুল ইছলাম (জেষ্ঠ), মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৱা ১০ টা বছৰত নগাঁও জিলাত MSDP / PMJVK আঁচনিৰ অধীনত কিমান কাম অনুমোদন কৰা হৈছিল আৰু তাৰ ভিতৰত কিমান কাম সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে ? (প্ৰতিটো আঁচনিৰ আৱন্টিত ধন, কামৰ অগ্ৰগতি, বিত্তীয় অগ্ৰগতি আৰু ব্যৱহাৰিক প্ৰমান পত্ৰ তালিকা দিব)

(খ) যি বিলাক আঁচনিৰ কাম আৰম্ভ কৰা নাই বা অৰ্ধনিৰ্মিত কৰি থৈছে সেইবিলাক আঁচনিৰ নিৰ্মাণ কমিটি পৰিৱৰ্তন কৰা হ'বনে ? ( তালিকা দিব )

(গ) সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ জলপানি কেলেংকাৰীত কিমান লোকক গ্ৰেপ্তাৰ কৰা হ'ল ? আত্মসাৎ কৰা টকা পুনৰুদ্ধাৰৰ কিবা ব্যৱস্থা কৰিছেনে?

**উত্তৰ**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী, শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) যোৱা ১০ টা বছৰত নগাঁও জিলাত MSDP / PMJVK আঁচনিৰ অধীনত মুঠ গৃহীত আঁচনিৰ সংখ্যা - ১৬৭৪ খন, সম্পূৰ্ণ হোৱা আঁচনিৰ সংখ্যা - ৬০১ খন, ড্ৰপ আঁচনিৰ সংখ্যা - ২৫৭ খন আৰু বৰ্তমান চলি থকা আঁচনিৰ সংখ্যা - ৮১৬ খন আছে । নগাওঁ জিলাত MSDP/PMJVK আচঁনিৰ অধীনত কিমান কাম অনুমোদন কৰা হৈছিল আৰু তাৰ ভিতৰত কিমান কাম সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে ইয়াৰ প্ৰতিটো আচঁনিৰ আৱন্টিত ধন, কামৰ অগ্ৰগতি, বিত্তীয় অগ্ৰগতি আৰু ব্যৱহাৰিক প্ৰমাণ তালিকা www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া হৈছে ।

(খ) নগাওঁ জিলাৰ MSDP/PMJVK আচঁনিৰ যি বিলাক আচঁনিৰ কাম আৰম্ভ কৰা নাই বা অৰ্ধনিৰ্মিত কৰি থৈছে সেই বিলাক আচঁনিৰ নিৰ্মাণ কমিটী প্ৰয়োজন সাপেক্ষে সলনি কৰিব পৰা হয় ।

(গ) সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ নামত CID P.S CASE NO. 07/2022 U/S 120B/420/468/471/409/ IPC R/W আৰু CID P.S CASE NO. 12/2025, U/S 120B/419/420/468/471 IPC, CID PS Case No. 20/2020, U/S 120B/406/409/419/420/468/471 IPC Added Sec. 66C/66D, CID PS Case No. 10/2025, U/S 120(B)/420/468/471 IPC R/W Sec. 66(D) IT Act, 2000 ৰ অধীনত তদন্তৰ প্ৰক্ৰিয়া চলি আছে ।

ছাত্ৰ-বৃত্তি আঁচনিৰ দূৰ্নীতি আৰু কেলেংকাৰীত জড়িত বিভিন্ন জিলাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষক, অধ্যক্ষকে আদি কৰি মুঠ ৪৩ জন ব্যক্তিক C.I.D.য়ে চিনাক্তকৰণ/ গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে ৩২ জনৰ বিপৰীতে চাৰ্জশ্বিট (CID PS charge sheet No. 01/2021, dated 03.02.2021) দাখিল কৰিছে আৰু পৰৱৰ্তী সময়ত ১১ জনক গ্ৰেপ্তাৰ কৰিছে। বৰ্তমান C.I.D. দ্বাৰা তদন্ত প্ৰক্ৰিয়া চলি আছে।

ইয়াৰ উপৰিও, সংখ্যালঘু ছাত্ৰ-বৃত্তি আঁচনিৰ আত্মসাৎ কৰা টকা পুনৰুদ্ধাৰৰ বাবে ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ্ছ সমিতি (State Level Bankers' Committee) তথা সংশ্লিষ্ট বেংকসমূহৰ যোগেদি আত্মসাৎ কৰা ধন পুনৰুদ্ধাৰৰ বাবে পদক্ষেপ লোৱা হৈছে।

---------------------------

# অসম বিধান সভা

## ২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ২৭

বিষয়ঃ **গৰাখহনীয়া।**

শ্ৰী পোনাকণ বৰুৱা, বিধায়ক

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত উত্তৰ বালিজান চাহ বাগিছা, বগৰিতলিয়া, পুখুৰীজান আদি অঞ্চলত বিগত বছৰৰ পৰা ধাৰাবাহিক ভাৱে ব্ৰহ্মপুত্ৰ নদীয়ে খহনীয়া সৃষ্টি কৰি অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰি আহিছে। সেই বিষয়ে চৰকাৰ অৱগত নে?

(খ) উক্ত অঞ্চল সমূহত ব্ৰহ্মপুত্ৰ নদী সৃষ্ট খহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? বিতং কৈ জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

– উত্তৰ–

(ক) হয়, এই বিষয়ে চৰকাৰ অৱগত।

(খ) লাহোৱাল সমষ্টিৰ অৰ্ন্তগত পুখুৰীজান, বালিজান আৰু বগৰীতলীয়া আদি অঞ্চলসমূহ যোৱাবছৰ (২০২৫ চন) ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ কবলত পৰে। উক্ত এলেকাসমূহত যোৱা ২০২৫ চনৰ জুন মাহৰ পৰা মুঠ ৪.৫ কিঃমিঃ দৈৰ্ঘ্যৰ তীব্ৰ গড়াখহনীয়া পৰিলক্ষিত হয়। জলসম্পদ বিভাগে জৰুৰীকালীন ভাবে ৪.৩৪ কোটি টকাৰ এখন আঁচনি "M&R to emergency Restoration of Balijan to Bogoritalia area against erosion due to River Brahmaputra for the year 2025-26 (Ex Post Facto) ৰ যোগেদি জিঅ'বেগ আৰু পৰ্কুপাইন সংস্থাপন কৰি অহৰহ প্ৰচেষ্টা চলাই অঞ্চলটো সুস্থিৰ কৰিবলৈ সক্ষম হৈছে।

এই তীব্ৰ খহনীয়াৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ স্থায়ী সমাধানৰ বাবে দুটা এলেকাৰ বাবে তলত উল্লেখ কৰা দুটা Memo প্ৰস্তুত কৰি 91 TAC ৰ অনুমোদন লাভ কৰা হৈছে।

1. Restoration of Balijan to Bogaritollia area from the erosion of river Brahmaputra amounting to Rs. 4162.21 Lakhs for a reach length of 1500 m.
2. Restoration of Pukhurijan to Balijan Ghat area from the river erosion of River Brahmaputra for the year 2025-26 amounting to Rs. 8300.89 Lakhs for a reach length of 3000 m.

আঁচনি দুখনৰ প্ৰাককলন প্ৰস্তুত কৰি থকা হৈছে আৰু যাৱতীয় পুঁজি উপলব্ধ সাপেক্ষে ৰূপায়ণ কৰিব পৰা যাব।

ইয়াৰ ওপৰিও উক্ত প্ৰথম ১৫০০ মিঃ খহনীয়াৰ স্থানটোৰ বাবে বৰ্তমানে এচিয়ান ডেভলোপমেন্ট বেংকৰ পুঁজিৰ অধীনত চলি থকা ডিব্ৰুগড় জিলাৰ আঁচনিখনৰ পৰা Variation Proposal এটি দিয়া হৈছে (No Cost Variation Proposal)। উক্ত আঁচনিখনৰ অনুমোদন পালে এই অঞ্চলৰ স্থায়ী সমাধানৰ বাবে কাম আৰম্ভ কৰিব পৰা যাব।

*( উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

**অসম বিধান সভা**
**তৰা চিহ্নীত প্ৰশ্ন নং – ২৮**
**উত্তৰ দিয়াৰ তাৰিখ : ১৮/০২/২০২৬**

বিষয়ঃ অসম চুক্তিৰ দফা ৰূপায়ণ আৰু বিষয়া-কৰ্মচাৰীৰ সংখ্যা। বিধায়কঃ শ্ৰী ৰেকিবুদ্দিন আহমেদ:

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চুক্তিৰ কি কি দফা এতিয়ালৈকে ৰূপায়ণ হৈছে আৰু কি কি দফা এতিয়াও ৰূপায়ণ হোৱা নাই? বিতংকৈ জনাব।

(খ) অসম চুক্তি ৰূপায়ণ বিভাগত অনুমোদিত বিষয়া-কৰ্মচাৰী কিমান (পদ সহ) তাৰ তালিকা দিব। কি কি পদ এতিয়াও খালী হৈ আছে বিতংকৈ জনাব।

(গ) ভাৰত-বাংলাদেশ সীমান্তৰ সম্পূৰ্ণ দৈৰ্ঘ্য কিমান (জিলাভিত্তিক) জনাব। এই সীমান্ত সম্পূৰ্ণৰূপে ছিল কৰা হৈছেনে? যদি হোৱা নাই, ক'ত কিমান বাকী আছে বিতংকৈ জনাব।

(ঘ) অসম চুক্তিৰ ৬ নং দফা আজিলৈকে কাৰ্য্যকৰী কৰা কিয় নহ'ল? ৬ নং দফা কাৰ্য্যকৰী কৰিবৰ বাবে যি কমিটি গঠন কৰা হৈছিল, সেই কমিটিৰ প্ৰতিবেদন দিল্লীলৈ পঠিওৱা হ'ল নে? যদি হোৱা নাই তাৰ কাৰণ জনাব।

(ঙ) অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে অসম চৰকাৰে মন্ত্ৰী গোট গঠন কৰিছিল নেকি? এই মন্ত্ৰী গোটৰ সদস্য কোন কোন তাৰ তালিকা দাখিল কৰিব। মন্ত্ৰী গোটে আজিলৈকে কি কি কাম কৰিলে বিতংকৈ জনাব।

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিব :

(ক) অসম চুক্তিৰ অধিকাংশ দফাই ইতিমধ্যে ৰূপায়ণ হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহে সময়ে সময়ে আৰু পৰ্য্যায়ক্ৰমে দফা সমুহ ৰূপায়ণ কৰি আছে। ইতিমধ্যে অসম চুক্তিৰ বিভিন্ন দফা ৰূপায়ণৰ তথা কাৰ্য্যকাৰিতাৰ এটি খতিয়ান **পৰিশিষ্ট 'ক'**ত উল্লেখ কৰা হৈছে।

(খ) সাধাৰণ প্ৰশাসন (ৰাজপত্ৰীত কোষ), সাধাৰণ প্ৰশাসন (সংস্থাপন) বিভাগৰ পৰা পোৱা তথ্য অনুসৰি অসম চুক্তি ৰূপায়ণ বিভাগত সাধাৰণ প্ৰশাসন বিভাগৰ অধীনত নিয়োজিত হৈ থকা বিষয়া-কৰ্মচাৰীৰ সবিশেষ তলত উল্লেখ কৰা হ'ল-

| পদৰ নাম | অনুমোদিত পদ | খালী হৈ থকা পদ |
|---|---|---|
| Deputy Secretary (উপ-সচিব) | ১ | ১ |
| Under Secretary (অবৰ সচিব) | ১ | ০ |
| Section Officer (শাখা বিষয়া) | ১ | ০ |
| Assistant Section Officer (সহকাৰী শাখা বিষয়া) | ৩ | ০ |
| Junior Administrative Assistant (কণিষ্ঠ প্ৰশাসনিক সহায়ক) | ২ | ১ |
| Computer Operator (কম্পিউটাৰ অপাৰেটৰ) | ২ | ১ |

(গ) সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ভাৰত-বাংলাদেশ সীমান্তৰ সম্পূৰ্ণ দৈৰ্ঘ্য (জিলাভিত্তিক) তলত উল্লেখ কৰা হ'ল-

| জিলা | মুঠ দৈৰ্ঘ্য (SOI)তথ্য অনুসৰি |
|---|---|
| ধুবুৰী | ১০২.৬২ কি.মি |
| দক্ষিণ-শালমাৰা মানকাছাৰ | ৩৯.২৮ কি.মি |
| কাছাৰ | ২৭.৩ কি.মি |
| শ্ৰীভূমি | ৯৮.৩ কি.মি |
| মুঠ | ২৬৭.৫ কি.মি |

অসমৰ ধুবুৰী,দক্ষিণ-শালমাৰা-মানকাচৰ,কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত সংলগ্ন হৈ আছে । এই সীমাৰ ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মান কৰা হৈছে আৰু বাকী থকা অংশ নদী অঞ্চল হোৱা বাবে কাইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই ।বেৰ নিৰ্মাণ কৰিবলৈ বাকী থকা অংশৰ অন্তৰ্গত শ্ৰী ভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা আন্তঃৰাষ্ট্ৰীয় সীমাৰ ৪.৩৫ কি:মি অংশ Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে এক শাৰীৰ কাঁইটীয়া তাঁৰৰ বেৰ (Single Line Fencing) দিব পৰা হোৱা নাই ।নদী অঞ্চলসমূহত BSF এ Comprehensive Integrated Border Management System (CIBMS)ৰ জৰিয়তে আৰু নৌকা পৰ্য্যবেক্ষণ চকীস্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আহিছে ।

(ঘ) অসম চুক্তিৰ ৬নং দফা ৰূপায়ণৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে শ্ৰী বিপ্লব কুমাৰ শৰ্মাৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছিলে। শ্ৰী বিপ্লব কুমাৰ শৰ্মাৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ হৈ অসম চৰকাৰে গ্ৰহন কৰিছিল। ৬নং দফা ৰূপায়ণৰ উদ্দেশ্যে বিপ্লব কুমাৰ শৰ্মাৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত ইয়াৰ লগত জড়িত বিভাগ সমুহ আৰু AASUৰ সৈত কেইবালানি আলোচনা কৰা হৈছিল। মুঠ ৬৭ টা পৰামৰ্শ চিনাক্ত কৰি ইয়াৰে ৫২টা পৰামৰ্শ ৰূপায়ণৰ বাবে সিদ্ধান্ত গ্ৰহন কৰিছে। ইতিমধ্যে, ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰয়োজনীয় বাজেট ঘোষনা কৰি পৰামৰ্শসমূহ অতি ক্ষীপ্ৰভাৱে ৰূপায়ণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(ঙ) হয়, অসম চুক্তিৰ ৬ নং দফাৰ লগতে অন্যান্য দফা ৰূপায়ণৰ বাবে অসম চৰকাৰে অসম চুক্তি ৰূপায়ণ বিভাগৰ উদ্যোগত এখন উপ-সমিতি (Sub-Committee) গঠন কৰিছিল। এই উপ-সমিতিখনত অসম চৰকাৰৰ তিনিজন কেবিনেট মন্ত্ৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি সদস্য হিচাপে আছিল। উপ-সমিতিখনৰ Notificationৰ প্ৰতিলিপি **পৰিশিষ্ট 'খ'**ত দিয়া হ'ল।

মন্ত্ৰীগোট আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত কেইবালানি আলোচনাৰ অন্তত সমিতিৰ চূড়ান্ত প্ৰতিবেদন চৰকাৰৰ হাতত অৰ্পন কৰিছে আৰু সমিতিৰ পৰামৰ্শসমূহ ৰূপায়ণৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা হাতত লৈছে ।

****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট "https://cms.neva.gov.in "ত আপলোড কৰা হৈছে।

অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং ঃ ২৯
উত্তৰ দানৰ তাৰিখ ঃ ১৮/০২/২০২৬
বিভাগ ঃ কৃষি ।
*বিষয় ঃ* অসমত শস্য উৎপাদন
প্ৰশ্নকৰ্তা/ বিধায়কঃ শ্ৰী দেৱব্ৰত শইকীয়াঃ

**প্ৰশ্নঃ**

**মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) জলবায়ুগত কাৰণত ৰাজ্যৰ মুখ্য শস্যসমূহৰ উৎপাদন হোৱা তাৰতম্য চৰকাৰে পৰীক্ষা কৰি চাইছে নে? যদি কৰিছে, তেন্তে মুখ্য শস্যসমূহৰ ওপৰত পৰিলক্ষিত প্ৰভাৱৰ বিতং তথ্য দাঙি ধৰিব।

(খ) জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ হ্ৰাস কৰি উন্নত উৎপাদন নিশ্চিত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) অসমৰ কিমানটা কৃষি কেন্দ্ৰ অকাৰ্য্যক্ষম হৈ আছে তাৰ সবিশেষ তলত দিয়া ধৰণে দিব –

| জিলা | অকাৰ্য্যক্ষম কৃষি কেন্দ্ৰৰ সংখ্যা |
|---|---|
| | |

(ঘ) অসমত প্ৰয়োজনীয় সাৰৰ পৰিমাণ আৰু বিতৰণ কৰা সাৰৰ পৰিমাণ তলত দিয়া ধৰণে দাঙি ধৰিব –

| সাৰ | প্ৰয়োজনীয় সাৰৰ পৰিমাণ | বিতৰণ কৰা সাৰৰ পৰিমাণ |
|---|---|---|
| | | |

(ঙ) ইউৰিয়া তথা অন্যান্য সাৰৰ অভাৱ পূৰণ আৰু বিতৰণৰ সমস্যা সমাধানৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(চ) তলত দিয়া ধৰণে সাৰ বিক্ৰীৰ অনুজ্ঞাপত্ৰ ২০২১-২০২৫ চনৰ ভিতৰত কিমান অনুমোদন কৰা হৈছে তাৰ সবিশেষ দাঙি ধৰিব।

| ক্ৰমিক নং | জিলা | সাৰ বিক্ৰীৰ অনুজ্ঞাপত্ৰ |
|---|---|---|
| | | |

**মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰীঅতুল বৰাদেৱে উত্তৰ দিবঃ**

**(ক)** জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱে সমগ্ৰ বিশ্বকে প্ৰভাম্বিত কৰিছে। ভাৰতবৰ্ষ তথা অসমত ইয়াৰ প্ৰভাৱ জনসাধাৰণৰ জীৱিকা, স্বাস্থ্য, পৰিৱেশ ইত্যাদি বিভিন্ন ক্ষেত্ৰৰ উপৰিও কৃষি খণ্ডতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। অসমৰ কৃষি বিভাগে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ নিৰীক্ষণ আৰু অধ্যয়নৰ বাবে কৃষি বিশ্ববিদ্যালয়, ICAR-ৰ প্ৰতিষ্ঠান আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ সৈতে মিলি বিভিন্ন অধ্যয়ন আৰু পৰীক্ষা কৰি আহিছে। পৰীক্ষা-নিৰীক্ষাৰ ফলাফলৰ মাজেৰে অনুমান কৰা হৈছে যে -

- তাপমাত্ৰা বৃদ্ধি আৰু অসাময়িক বৰষুণে মুখ্য খাদ্য শস্য যেনে - ধান, ৰবি শস্য (মাকৈ, মাটিমাহ) আদিৰ উৎপাদন চক্ৰত প্ৰভাৱ পেলাইছে।
- বৰষুণৰ বিতৰণৰ অসামঞ্জস্যই খৰাং আৰু বানপানীৰ সৃষ্টি কৰি শস্যৰ উৎপাদনত প্ৰভাৱ পেলায়।
- বিশেষকৈ শৰৎ কালীন (অক্টোবৰ-নৱেম্বৰ) বৰষুণৰ সময় আৰু পৰিমাণৰ তাৰতম্যই ধান কটা আৰু শুকোৱা কামত বিঘিনি সৃষ্টি কৰে, যাৰফলত শস্যৰ গুণাগুণৰ ক্ষতি হয়।

**(খ)** জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ পৰা কৃষকসকলক ৰক্ষা কৰিবলৈ কৃষি বিভাগে তলত দিয়া ব্যৱস্থাসমূহৰ দিশত কাম কৰি আহিছেঃ

- **জলবায়ু সহনশীল প্ৰজাতিৰ প্ৰচলনঃ** কম সময়ত কৰিব পৰা (short duration), বান-খৰাং সহিষ্ণু ধান আৰু অন্যান্য শস্যৰ প্ৰজাতিৰ প্ৰসাৰ ঘটোৱা হৈছে। ইতিমধ্যে ধানৰ সহনশীল প্ৰজাতি যেনে বিনা ধান-১০ আৰু ১১, স্বৰ্ণ চাব -১, ৰঞ্জিত চাব-১, বাহাদুৰ চাচ-১, সৌভাগী আদি কৃষকৰ মাজত জনপ্ৰিয় হৈ উঠিছে। তদুপৰি অসমৰ পৰিবৰ্তিত জলবায়ুৰ সৈতে খাপ খোৱা কৃষি জলবায়ু অঞ্চলৰ উপযোগী মাটিমাহৰ প্ৰজাতি- SBC-40, মগু মাহৰ প্ৰজাতি- SGC-16, সৰিয়হৰ প্ৰজাতি-TS-38, কণী ধানৰ (Foxtail Millet) প্ৰজাতি-AAU-GSG-Cawn-I, মৰুৱা ধানৰ (Finger Millet) প্ৰজাতি- AAU-GSG-Marua Dhan-I, মাকৈৰ বৰ্ণসংকৰ প্ৰজাতি-CP-333, PAC-751, ADV-756, JKMH-4152, RMH-4558, NMH-713, Bio-605 ৰ উপৰিও অন্যান্য অধিসূচিত প্ৰজাতিৰ মচুৰ মাহ – IPL-220 আৰু গোমধান (Wheat)-HD-3086 আদিৰ খেতি কৃষকৰ মাজত মাজত জনপ্ৰিয় কৰি তোলা হৈছে।
- **কৃষি পদ্ধতিত পৰিৱৰ্তনঃ** জৈৱিক কৃষি, সমন্বিত শস্য ব্যৱস্থাপনা আৰু পানী সংৰক্ষণ কৌশল Per drop more Crop আচঁনিৰ অধীনত প্ৰতিটোপাল পানীৰ ব্যৱহাৰেৰে অধিক শস্য উৎপাদন বাবে ড্ৰিপ ইৰিগেশ্যন, স্প্ৰিঙ্কলাৰৰ ব্যৱহাৰ।
- **প্ৰাথমিক সতৰ্কতা ব্যৱস্থাঃ** কৃষকসকলক আগতীয়া বতৰৰ তথ্য আৰু পৰামৰ্শ প্ৰদান কৰা।
- **কৃষকসকলক আৰ্থিক সুৰক্ষাঃ** প্ৰাকৃতিক দুৰ্যোগৰ বাবে নষ্ট হোৱা শস্যৰ বাবে আমাৰ কৃষকসকলে PMFBY বীমা যোজনাৰ অধীনত ক্ষতিপূৰণ পাবলৈ সক্ষম হৈছে। আনহাতে দুৰ্যোগ ব্যৱস্থাপনা আঁচনিৰ অধীনত ২০২১-২২ বৰ্ষত ৪০.২০৫০৩৪৭ কোটি টকা, ২০২২ – ২৩ বৰ্ষত ৪.৩৩ কোটি টকা আৰু ২০২৪ -২৫ বৰ্ষত ৭০.৫৬৬৪৪৪৮ কোটি টকা অনুদান প্ৰদান কৰা হৈছে।

(গ) কৃষি কেন্দ্ৰ নামৰ কোনো অনুষ্ঠান কৃষি বিভাগৰ অধীনত নাই কিন্তু কৃষকৰ জ্ঞানৰ উৎকৰ্ষৰ বাবে গ্ৰাম্য আন্তঃ গাঁথনি উন্নয়ন পুঁজি (RIDF)ৰ অধীনত ৭০ টা জ্ঞান কেন্দ্ৰৰ উপৰিও অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত ২৩ টা, ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR)ৰ অধীনত ২ টা আৰু বেচৰকাৰী সংস্থাৰ অধীনত ১ টা কৃষি বিজ্ঞান কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে।

(ঘ) অসমত ২০২৪-২৫ বৰ্ষৰ ৰবি শস্য কালত আৰু ২০২৫ বৰ্ষৰ খাৰিফ শস্য কালত প্ৰয়োজনীয় হোৱা আৰু বিতৰণ কৰা (অৰ্থাৎ বিভিন্ন খুচুৰা বিক্ৰী কেন্দ্ৰৰ যোগেদি বিক্ৰী হোৱা) মুঠ সাৰৰ পৰিমাণ তলত দিয়া ধৰণৰঃ

| ক্ৰমিক নং | সাৰৰ নাম | প্ৰয়োজনীয় সাৰৰ পৰিমাণ | | বিতৰণ কৰা সাৰৰ পৰিমাণ | |
|---|---|---|---|---|---|
| | | ৰবি (২০২৪-২৫) | খাৰিফ ২০২৫) | ৰবি (২০২৪-২৫) | খাৰিফ (২০২৫) |
| ১ | UREA | ১৬৫০০০ | ১৭০০০০ | ১৮৫৭৫৩.৮৩৫ | ২৩২০৮১ |
| ২ | DAP | ২৫০০০ | ২৮০০০ | ৩০০৯৭.৫৫ | ৪৩৬৭৮ |
| ৩ | MOP | ২৮০০০ | ২১০০০ | ৩৭৩৫২.৩ | ২০৯৮৪.৫ |
| ৪ | SSP | ১০০০০০ | ৬৯০০০ | ৬৩৭৮৯.৭৫ | ৪৯২৮২ |
| ৫ | NPKS | ৩৫০০০ | ২৩০০০ | ৩০৫০৩.৬৫ | ২০০০১ |

(ঙ) ১) সাৰৰ প্ৰয়োজন আৰু বিতৰণ ব্যৱস্থা পৰীক্ষাৰ বাবে প্ৰত্যেক জিলাতে মজুত থকা সাৰৰ পৰিমাণ iFMS Portal -ত নিয়মিত নিৰীক্ষণ কৰি থকা হয়।

২) প্ৰতি সপ্তাহত কেন্দ্ৰীয় চৰকাৰে সাৰৰ তথ্য কৃষি বিভাগৰ পৰা Video Conferencing ৰ যোগেদি সংগ্ৰহ কৰে আৰু প্ৰয়োজন অনুপাতে যোগানৰ ব্যৱস্থা কৰে।

৩) ৰাজ্যত সাৰ বিতৰণ নিকা আৰু প্ৰতি গাৱঁতে সময়মতে যোগানৰ বাবে অসম ৰাজ্যিক কৃষি বিপণন পৰিষদক সকলো প্ৰকাৰৰ সাৰ পাইকাৰী বিক্ৰেতা হিচাপে নিযুক্ত কৰা হৈছে। পৰিষদে অধীনত থকা খুচুৰা বিক্ৰী কেন্দ্ৰত প্ৰয়োজনীয় সাৰৰ যোগান ধৰে।

(চ) ২০২১-২০২৫ চনৰ ভিতৰত সাৰ বিক্ৰীৰ অনুজ্ঞাপত্ৰ কিমান অনুমোদন কৰা হৈছে তাৰ সবিশেষ তলত দিয়া হ'লঃ

| ক্ৰমিক নং | জিলা | সাৰ বিক্ৰীৰ অনুজ্ঞাপত্ৰ | |
|---|---|---|---|
| | | পাইকাৰী | খুচুৰা |
| ১ | বাক্সা | ১২ | ৩২৮ |
| ২ | বৰপেটা | ৫৫ | ৮৮৯ |
| ৩ | বিশ্বনাথ | | ১ |
| ৪ | বঙাইগাঁও | ২১ | ৩৫২ |
| ৫ | কাছাৰ | | ১৪৬ |
| ৬ | চৰাইদেও | ৯ | ৯৬ |
| ৭ | চিৰাং | ১৫ | ১৫৪ |
| ৮ | দৰং | ৩৩ | ৫৭১ |
| ৯ | ধেমাজি | ৯ | ৭৮ |
| ১০ | ধুবুৰী | ২৯ | ৬০৭ |
| ১১ | ডিব্ৰুগড় | ২১ | ২০০ |
| ১২ | গোৱালপাৰা | ১৯ | ৪৩২ |
| ১৩ | গোলাঘাট | ২৫ | ১৯২ |
| ১৪ | হাইলাকান্দি | ৯ | ১৩৫ |
| ১৫ | হোজাই | ১৯ | ১৪১ |
| ১৬ | যোৰহাট | ১৪ | ১১৯ |
| ১৭ | কামৰূপ | ৫২ | ৪২৬ |
| ১৮ | কামৰূপ (মেট্ৰ) | ১২ | ৫০ |
| ১৯ | কাৰ্বি আংলং | ১০ | ৫৪ |
| ২০ | শ্ৰীভূমি | ১৩ | ১৩৮ |
| ২১ | কোকৰাঝাৰ | ৭ | ১২৮ |
| ২২ | লক্ষীমপুৰ | ১৪ | ৭২ |
| ২৩ | মাজুলী | ১ | ১৮ |
| ২৪ | মৰিগাঁও | ৩২ | ৫৯৮ |
| ২৫ | নগাঁও | ৩৫ | ৭৯৯ |
| ২৬ | নলবাৰী | ১৪ | ২৩৫ |
| ২৭ | শিৱসাগৰ | ১৩ | ১১৪ |
| ২৮ | শোণিতপুৰ | ৩২ | ৩৩০ |
| ২৯ | দক্ষিণ শালমাৰা | ১৯ | ১০৭ |
| ৩০ | তিনচুকীয়া | ২৩ | ১৩৩ |
| ৩১ | ওদালগুৰি | ১৬ | ৩০৮ |
| ৩২ | পশ্চিম কাৰ্বি আংলং | | ১৫ |
| | মুঠঃ | ৫৮৩ | ৭৯৬৬ |

***********

6C

অসম বিধান সভা
তৰা যুক্ত প্ৰশ্ন নং- ৩০
উত্তৰ দিয়া তাৰিখ ১৮-০২-২০২৬

বিষয় : Unspent Fund

শ্ৰী সুজাম উদ্দিন লস্কর, বিধায়ক।

মাননীয় Mines & Minerals বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কী :

(ক) হাইলাকান্দি জেলায় Mines and Minerals বিভাগের DMFT fund এর আওতায় ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ এবং ২০২৫-২৬ অর্থ বৎসরে কি কি কাজ হয়েছে তার বিস্তারিত তথ্য প্রদান করা যাবে কি?

(খ) বর্তমানে হাইলাকান্দি জেলায় DMFT fund এর কত টাকা Unspent আছে?

(গ) জেলা উপায়ুক্তের কার্যালয়ে Committee কে নিয়ে কোনো Meeting করে স্কিম নেওয়া হয়েছে কি?

(ঘ) যদি কোনো স্কিম নেওয়া হয়ে থাকে, তবে কি কি স্কিম নেওয়া হয়েছে এবং কবে নাগাদ কাজ আরম্ভ করা হবে ?

**উত্তৰ :**

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিব:

(ক) হাইলাকান্দি জিলাত DMFT fund-ৰ পৰা প্ৰধান মন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ অধীনত ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ এবং ২০২৫-২৬ বিত্তীয় বৰ্ষত কৰা বিভিন্ন কামৰ খতিয়ান তলত উল্লেখ কৰা হ'ল-

| ক্ৰমিক নং | বিত্তীয় বৰ্ষ | স্কিমৰ সবিশেষ |
|---|---|---|
| ১ | ২০২২-২৩ | কোনো স্কিম হাতত লোৱা হোৱা নাই । |
| ২ | ২০২৩-২৪ | সবিশেষ **পৰিশিষ্ট-১** হিচাপে সংলগ্ন কৰা হ'ল । |
| ৩ | ২০২৪-২৫ | কোনো স্কিম হাতত লোৱা হোৱা নাই । |
| ৪ | ২০২৫-২৬ | কোনো স্কিম হাতত লোৱা হোৱা নাই । |

(খ) বৰ্তমান হাইলাকান্দি জিলাৰ DMFT fund-ত মুঠ ১,৮০,৪৫,১২৩.০০ টকা জমা আছে।

(গ) হাইলাকান্দি জিলাত প্ৰধান মন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ অধীনত ২০২১-২২ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত বিভিন্ন কাম বা স্কিম DMFT-ৰ Governing Council-ৰ অনুমোদন মৰ্মে সম্পন্ন কৰা হৈছে ।

(ঘ) ২০২১-২২ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত লোৱা স্কিমৰ সবিশেষ **পৰিশিষ্ট-১** হিচাপে সংলগ্ন কৰা হ'ল । ২০২২-২৩, ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত বৰ্তমানলৈকে কোনো স্কিমৰ বাবে Governing Council -য়ে অনুমোদন প্ৰদান কৰা নাই, গতিকে কাম আৰম্ভ কৰাৰ কথাটো বৰ্তমান প্ৰযোজ্য নহয় ।

********

Uploaded in National eVidhan Application

**অসম বিধান সভা**
***তৰাযুক্ত প্ৰশ্ন নং-৩১**
**বিষয়ঃ ৰেচন কাৰ্ড সম্পৰ্কে**
**বিধায়কৰ নাম: শ্ৰী জাকিৰ হুছেইন সিকদাৰঃ**
**উত্তৰ দিয়া তাৰিখ: ১৮-০২-২০২৬**
**প্ৰশ্নঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত কিমান ৰেচন কাৰ্ড থকা পৰিয়াল আছে ? সমষ্টি হিচাপে তালিকা দিব।

(খ) এতিয়াও ৰেচন কাৰ্ড পাবলৈ বঞ্চিত হৈ থকা পৰিয়ালে কেতিয়া ৰেচন কাৰ্ড পাব ? সদনত জনাব।

(গ) পৰিয়ালৰ সদস্যৰ সংখ্যা বৃদ্ধি পোৱাৰ পিছতো যি সকলৰ নাম ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত হোৱা নাই তেনেকুৱা পৰিয়ালৰ নতুন সদস্য অন্তৰ্ভুক্ত কেতিয়া আৰু কিদৰে কৰা হ'ব, সেই বিষয়ে সদনত জনাব।

**উত্তৰঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ

(ক) ফেব্ৰুৱাৰী, ২০২৬ মাহৰ বিনামূলীয়া চাউলৰ অনলাইন আৱণ্টন অনুসৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত অসমত সৰ্বমুঠ ৭০,৭১,৮২৪ টা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়াল আছে। ইয়াৰে ৬,৬৮,৩৯৭ টা AAY পৰিয়াল আৰু ৬৪,০৩,৪২৭ টা PHH পৰিয়াল।

উল্লেখযোগ্য যে ৰেচন কাৰ্ডধাৰী পৰিয়াল আৰু হিতাধিকাৰীৰ তালিকা Online Database (SMART-PDS) ত জিলা ভিত্তিতহে উপলব্ধ হয়, সমষ্টি ভিত্তিক তালিকা Online Database (SMART-PDS) ত উপলব্ধ নহয়।

ৰেচন কাৰ্ডৰ জিলা ভিত্তিক তথ্য অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'ক')ত উপলব্ধ কৰা হ'ল ।

(খ) বৰ্তমান অসমত ফেব্ৰুৱাৰী, ২০২৬ মাহৰ চাউলৰ Online আৱণ্টন অনুসৰি সৰ্বমুঠ হিতাধিকাৰীৰ সংখ্যা ২,৪৯,৪৩,৪৮০ জন। খাদ্য সুৰক্ষা আইনৰ অধীনত অসমত হিতাধিকাৰীৰ নিৰ্ধাৰিত লক্ষ্য হৈছে ২,৫১,৮৯,৭৭৫ জন। অৰ্থাৎ ৰাজ্যত বৰ্তমান প্ৰায় ২.৪৬ লাখ হিতাধিকাৰী নতুনকৈ NFSA ৰ অধীনত অন্তৰ্ভুক্ত কৰাৰ সুবিধা আছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত অনুযায়ী বৰ্তমানে সমগ্ৰ ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৫,০৪,০০০ নতুন হিতাধিকাৰীৰ বাছনি প্ৰক্ৰিয়াৰ অংশ হিচাপে ইতিমধ্যে ৫৬,৬৩২ টা নতুন পৰিয়ালক ৰেচন কাৰ্ড দিয়াৰ বাবে সামৰি লোৱা হৈছে আৰু ৪,৯১,১৪০ জন নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হৈছে। বৈ যোৱা ১২,৮৬০ গৰাকী হিতাধিকাৰীক অন্তৰ্ভুক্তিকৰণৰ প্ৰক্ৰিয়া অতিশীঘ্ৰে সমাপ্ত হ'ব। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতো যদি কোনো যোগ্য দৰিদ্ৰ পৰিয়াল ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈ বৈ যায়, তেনেকুৱা পৰিয়ালক পৰৱৰ্তী পৰ্য্যায়ত সিদ্ধান্ত গ্ৰহণ কৰি খাদ্য সুৰক্ষা আইনৰ অধীনত সামৰি লোৱা হ'ব।

(গ) ৰাজ্য চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত অনুযায়ী বৰ্তমানে সমগ্ৰ ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৫,০৪,০০০ নতুন হিতাধিকাৰীৰ বাছনি প্ৰক্ৰিয়াত ইতিমধ্যে ৫৬,৬৩২ টা নতুন পৰিয়ালক ৰেচন কাৰ্ড দিয়াৰ বাবে সামৰি লোৱা হৈছে আৰু ৪,৯১,১৪০ জন নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰা হৈছে। বৈ যোৱা ১২,৮৬০ গৰাকী হিতাধিকাৰীক অন্তৰ্ভুক্তিকৰণৰ প্ৰক্ৰিয়া অতিশীঘ্ৰে সমাপ্ত হ'ব। এই প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছতো যদি কোনো পৰিয়ালৰ সদস্যৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কোনো সদস্যৰ নাম ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত নোহোৱাকৈ বৈ যায় তেনে ব্যক্তি বা সদস্য সকলক পৰৱৰ্তী পৰ্য্যায়ত সিদ্ধান্ত গ্ৰহণ কৰি খাদ্য সুৰক্ষা আইনৰ অধীনত সামৰি লোৱাৰ ব্যৱস্থা কৰা হব।

************************

**অসম বিধান সভা**
**তৰাচিহ্নীত প্ৰশ্ন নং - ৩২**
**উত্তৰ দিয়াৰ তাৰিখ -১৮/০২/২০২৬**

**বিষয়ঃ মিনি ষ্টেডিয়াম নিৰ্মাণ সম্পৰ্কে**

শ্ৰী ভৰেশ কলিতা :

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ জৰিয়তে কিমানখন মিনি ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছে?

(খ) ইয়াৰে কিমান খনৰ কাম সম্পূৰ্ণ কৰা হৈছে? সদনত জনাব।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীমতী নন্দিতা গাৰ্লোচা** মহোদয়াই উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, অসমত মুঠ ৪০ খন মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। তালিকা **সংলগ্ন-ক** ত দিয়া হ'ল।

(খ) ইয়াৰে ২০ খন মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে।

(সংলগ্ন পত্ৰ সমূহ **'https://cmsasla.neva.gov.in/'** পোৰটেলত আপলোড কৰা হৈছে /
**Enclosures are uploaded in the 'https://cmsasla.neva.gov.in/' portal.)**

*******

## ASSAM LEGISLATIVE ASSEMBLY

## STARRED ASSEMBLY QUESTION NO.33

Date of Reply :-18/02/2026

*Sub.* : **Coverage and adequacy of social pension schemes in Dholai LAC..**

Name of MLA : Shri Nihar Ranjan Das:

Will the Minister of Social Justice & Empowerment Department be pleased to state :

(a) Please furnish the number of elderly persons, widows and differently abled persons presently receiving social pension in the Dholai Vidhansabha Constituency.

(b) Please furnish the number of eligible beneficiaries whose applications are pending or rejected, along with reasons thereof, and

(c) whether the Government proposes any enhancement of pension amount or expansion of coverage in the forthcoming financial year?

### Answer

Hon'ble Minister of Panchayat & Rural Development Department **Shri Ranjeet Kumar Dass** will reply:

(a) Panchayat and Rural Development Department, Government of Assam is implementing different Social Assistance Programmes for elderly persons, widows and differently abled persons.

The scheme-wise current number of beneficiaries in the Dholai Vidhansabha Constituency are furnished below:

| Sl. No. | Name of Scheme | No. of Beneficiaries |
|---|---|---|
| 1 | Indira Gandhi National Old Age Pension Scheme (IGNOAPS) | 7828 |
| 2 | Indira Gandhi National Widow Pension Scheme (IGNWPS) | 1079 |
| 3 | Indira Gandhi National Disability Pension Scheme (IGNDPS) | 376 |
| 4 | Swahid Kushal Konwar Sarbajanin Briddha Pension Achoni (SKKSBPA) | 7843 |

(b) As on date, in the Dholai Vidhansabha Constituency there are no pending or rejected applications under the Indira Gandhi National Old Age Pension Scheme (IGNOAPS), Swahid Kushal Konwar Sarbajanin Briddha Pension Achoni (SKKSBPA), Indira Gandhi National Disability Pension Scheme (IGNDPS), and Indira Gandhi National Widow Pension Scheme (IGNWPS).

(c) The Government of Assam has enhanced the rate of State assistance under the Indira Gandhi National Old Age Pension Scheme (IGNOAPS) and Swahid Kushal Konwar Sarbajanin Briddha Pension Achoni (SKKSBPA) by Rs. 150/- per month for beneficiaries in the age group of '60-79 years' which increases the assistance from Rs. 250/- to Rs. 400/- per month. Also, in case of SKKSBPA the assistance has been enhanced by Rs. 300/- per month for beneficiaries in the age group of '80 years and above' which increases the assistance from Rs. 250/- to Rs. 550/- per month. This enhancement is effected from January' 2026.

Further, the rate of assistance under the Indira Gandhi National Widow Pension Scheme (IGNWPS) had already been enhanced in December' 2023 by Rs. 950/- per month which increases the assistance from Rs. 300/- to Rs. 1250/- per month.

........................

**অসম বিধান সভা**

**২০২৬ চনৰ ১৮ ফেব্ৰুৱাৰীত উত্তৰ দিবলগীয়া**

**মৌখিক প্ৰশ্ন নং – ৩৪**

**বিষয়ঃ গৰাখহনীয়া সম্পৰ্কে।**

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) এডিবিৰ অৰ্থ সাহাৰ্য্যৰে ৰৌমাৰীৰ পৰা বাঘবৰলৈ গৰাখহনীয়াৰ প্ৰতিৰোধৰ আঁচনিটো সম্পৰ্কে বিতংকৈ জনাব।

খ) এই এলেকাৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে এই বাৰিষাৰ পূৰ্বে এডিবিৰ আঁচনিটো শুভাৰম্ভ কৰিবনে?

গ) ৰৌমাৰীৰ পৰা বাঘবৰলৈ মথাউৰীৰ সুৰক্ষা আৰু নিৰ্মাণ সন্দৰ্ভত বৰ্তমানে চলি থকা আঁচনি সমূহৰ বিষয়ে বিতংকৈ জনাব।

ঘ) বিগত ২০২১-২৬ লৈ চেঙা সমষ্টিত ৰূপায়ন হোৱা এই বিভাগৰ বিভিন্ন উন্নয়নমূলক কামৰ খতিয়ান দিব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) বৰপেটা জলসম্পদ সংমণ্ডল অধীনত এ.ডি.বি.ৰ অৰ্থ সাহাৰ্য্যৰে ৰৌমাৰীৰ পৰা বাঘবৰলৈ গৰাখহনীয়াৰ প্ৰতিৰোধৰ আঁচনিৰ নাম হ'ল "Climate Resilient Brahmaputra Integrated Flood and River bank erosion risk management project in Assam" protection of b/dyke under Barpeta W.R. Division. Project cost Rs. 392.0678 Cr উক্ত আঁচনি খনত মুঠ 7 ঠাঁই (Location) 20.20 কিঃমিঃ সামৰি A type Geo Bag আৰু PSC porcupine ৰ দ্বাৰা ৰৌমাৰীৰ পৰা বাঘবৰলৈ গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ প্ৰস্তুত কৰা হৈছে। বৰ্তমান এই আঁচনিখন CWC Delhi ত নিৰিক্ষণ কৰি থকা হৈছে, আঁচনিখনৰ সবিশেষ **Annexure-I** ত উল্লেখ কৰা হ'ল।

খ) উক্ত আঁচনিখনৰ প্ৰথম পৰ্যায়ত ৭.২ কিঃমিঃ সামৰি ১১২.৩১ কোটি টকাৰ ইতিমধ্যে নিবিদা কৰা হৈছে আৰু নিবিদাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লে আঁচনিৰ কাম আৰম্ভ কৰিব পৰা হ'ব।

গ) বৰপেটা জলসম্পদ সংমণ্ডলৰ অধীনত ৰৌমাৰীৰ পৰা বাঘবৰলৈ মথাউৰিৰ সুৰক্ষা আৰু নিৰ্মাণৰ বাবে মুঠ ৬ টা প্ৰকল্প PDNA ৰ অধীনত অনুমোদন লাভ কৰে। এই আঁচনি সমূহৰ বিষয়ে বিতং সবিশেষ **Annexure-II** ত উল্লেখ কৰা হ'ল।

ঘ) বিগত ২০২১-২৬ বৰ্ষলৈ চেঙা সমষ্টিত ৰূপায়ন হোৱা জলসম্পদ বিভাগৰ বিভিন্ন আঁচনি সমূহৰ সবিশেষ **Annexure-III** ত উল্লেখ কৰা হ'ল।

**(এই উত্তৰৰ সৈতে Annexure-I,II & III অনলাইন যোগে দাখিল কৰা হ'ল আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

# অসম বিধান সভা
## তৰা চিহ্নীত প্ৰশ্ন নং – ৩৫
## উত্তৰ দিয়াৰ তাৰিখ : ১৮/০২/২০২৬

বিষয় : বিদেশী সমস্যাৰ সমাধান আৰু অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণ। বিধায়ক : শ্ৰী অখিল গগৈ:

## প্ৰশ্ন

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তি (১৯৮৫ চন)ৰ কি কি দফা এতিয়ালৈকে ৰূপায়ণ কৰা হ'ল? সেইবোৰ দফা কেতিয়া কেতিয়া কৰা হ'ল?

খ) অসম চুক্তিৰ কি কি দফা এতিয়ালৈকে ৰূপায়ণ কৰিবলৈ বাকী আছে? সেই সমূহ দফা কোন সময়সীমাৰ ভিতৰত ৰূপায়ণ কৰা হ'ব? ৰূপায়ণ হোৱা আৰু নোহোৱাৰ শতাংশ উল্লেখ কৰিব।

গ) অসম চুক্তিৰ ৫ নং দফাৰ অধীনত বিদেশী চিনাক্তকৰণৰ বাবে উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত যি এনআৰচি প্ৰস্তুত কৰা হৈছে সেই এনআৰচি (NRC) চূড়ান্ত হ'লনে? চৰকাৰে সেই সন্দৰ্ভত অন্য কোনো সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি? ৰাজ্যবাসীয়ে চূড়ান্ত এনআৰচি কেতিয়ালৈ লাভ কৰিব? সবিশেষ জনাব।

ঘ) অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে প্ৰাক্তন ন্যায়াধীশ বিপ্লব শৰ্মা অধ্যক্ষতাত প্ৰস্তুত কৰা সমিতিৰ প্ৰতিবেদন এতিয়া ক'ত আছে? সেই প্ৰতিবেদনৰ প্ৰতিটো অনুমোদন (**Recommendation**) উল্লেখ কৰি কোনবোৰ ৰূপায়ণ হ'ল আৰু ৰূপায়ণ নোহোৱাবোৰ কেতিয়াৰ ভিতৰত ৰূপায়ণ কৰিব বিস্তৃত তালিকা প্ৰদান কৰিব। সেই প্ৰতিবেদনখন সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা যোগাযোগ (**Correspondence**) সমূহ সদনত দাখিল কৰিব।

## উত্তৰ

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) অসম চুক্তিৰ অধিক সংখ্যক দফাই ইতিমধ্যে ৰূপায়ণ হৈ গৈছে। নিৰ্দিষ্ট কিছুমান দফা কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰদ্বাৰা সময়ে সময়ে আৰু পৰ্য্যায়ক্ৰমে ৰূপায়িত হৈ আহিছে। অসম চুক্তিৰ আধাৰত বিভিন্ন দফাসমূহৰ ৰূপায়ণৰ খতিয়ান **পৰিশিষ্ট 'ক'**ত উল্লেখ কৰা হ'ল।

খ) অসম চুক্তিৰ অধিক সংখ্যক দফাই ইতিমধ্যে ৰূপায়ণ হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহে সময়ে সময়ে আৰু পৰ্য্যায়ক্ৰমে দফা সমূহ ৰূপায়ণ কৰি আছে। অসম চুক্তিৰ ৬ নং দফাৰ লগতে অন্যান্য দফা ৰূপায়ণৰ বাবে অসম চৰকাৰে অসম চুক্তি ৰূপায়ণ বিভাগৰ উদ্যোগত এখন উপ-সমিতি (Sub-Committee) গঠন কৰিছিল। এই উপ-সমিতিখনত অসম চৰকাৰৰ তিনিজন কেবিনেট মন্ত্ৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি সদস্য হিচাপে আছিল। মন্ত্ৰীগোট আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত কেইবালানি আলোচনাৰ অন্তত সমিতিৰ চুড়ান্ত প্ৰতিবেদন ইতিমধ্যে যোৱা ২২ নৱেম্বৰ, ২০২৫ তাৰিখে অসম চৰকাৰৰ হাতত অৰ্পন কৰিছে। ইতিমধ্যে, সমিতিৰ পৰামৰ্শসমূহ ৰূপায়ণৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা হাতত লৈছে।

গ) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি অসম চুক্তি ৫ নং দফাৰ অধীনত বিদেশী চিনাক্তকৰণৰ বাবে উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা এন আৰ চি চূড়ান্ত হোৱা নাই। মহামান্য উচ্চতম ন্যায়ালয়ৰ ১৩/০৮/২০১৯ তাৰিখৰ আদেশমৰ্মে আই এছ এম এছ (Information Security Management System) নীতি বৰ্তমান প্ৰক্ৰিয়াধীন।

ঘ) অসম চুক্তিৰ ৬নং দফা ৰূপায়ণৰ বাবে প্ৰাক্তন ন্যায়াধীশ বিপ্লব শৰ্মাৰ অধ্যক্ষতাত গঠন হোৱা সমিতিখনৰ প্ৰতিবেদনখন কেন্দ্ৰীয় গৃহ বিভাগৰ হৈ অসম চৰকাৰে গ্ৰহন কৰিছে। বিপ্লব কুমাৰ শৰ্মা আয়োগে মুঠ ৬৭টা পৰামৰ্শ চিনাক্ত কৰিছিলে, ইয়াৰে ৫২টা পৰামৰ্শ ৰূপায়ণৰ বাবে সিদ্ধান্ত গ্ৰহন কৰা হৈছিল। উক্ত পৰামৰ্শসমূহ ৰূপায়ণৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থা আৰু পৰামৰ্শসমূহ ৰূপায়ণৰ লগত জড়িত থকা বিভিন্ন বিভাগ সমূহৰ লগত কেইবালানি আলোচনা সমাপ্ত কৰিছে। ইতিমধ্যে ২০২৫ ২৬-বিত্তীয় বৰ্ষত প্ৰয়োজনীয় বাজেট ঘোষণা কৰি পৰামৰ্শসমূহ অতি শীঘ্ৰে ৰূপায়ণৰ ব্যৱস্থা গ্ৰহন কৰিছে। প্ৰতিবেদনখনৰ কিছু পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰিছে। ইতিমধ্যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত এই সম্পৰ্কে যোগাযোগ কৰিছে।

*****

**অসম বিধান সভা**

*তৰাযুক্ত প্ৰশ্ন নং – ৩৬

বিষয়ঃ **সৰুপথাৰ সমষ্টিৰ উৰিয়ামঘাটৰ বনাঞ্চলৰ পৰা উচ্ছেদিত ব্যক্তিৰ নাম ৰেচন কাৰ্ডৰ পৰা কৰ্তন কৰা সন্দৰ্ভত।**

বিধায়কৰ নামঃ শ্ৰী বিশ্বজিৎ ফুকনঃ

উত্তৰ দিয়া তাৰিখঃ ১৮/০২/২০২৬

**প্ৰশ্নঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সৰুপথাৰ সমষ্টিৰ উৰিয়ামঘাট বনাঞ্চলত অবৈধ বেদখলকাৰী উচ্ছেদ হোৱাৰ ফলত সৰুপথাৰ সমষ্টিৰ ৰেংমা আৰু নামবৰ বনাঞ্চলৰ যিসকল লোক স্থানান্তৰিত হ'ল, তেওঁলোকে বিগত সময়ছোৱাত বিনামূলীয়া চাউল বা সুলভ মূল্যৰ খাদ্য সামগ্ৰী পাই আছে নেকি ?

(খ) এই অঞ্চলত সৰ্বমুঠ বিতাৰিত হোৱা লোকৰ বিপৰীতে কিমানজন ব্যক্তিৰ নাম ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত আছিল? উক্ত অঞ্চলৰ সুলভ মূল্যৰ দোকানৰ পৰা এই উচ্ছেদিত লোকসকলৰ নাম সমূহ কৰ্তন কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

**উত্তৰঃ**

**মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ**

**(ক)** সৰুপথাৰ সম জিলাৰ পৰা পোৱা তথ্য অনুসৰি, সৰুপথাৰ সমষ্টিৰ উৰিয়ামঘাট বনাঞ্চলত (ৰেংমা আৰু নামবৰ বনাঞ্চলৰ) উচ্ছেদিত অবৈধ বেদখলকাৰী সকলক বিতৰণৰ পিছৰে পৰা সুলভ মূল্যৰ খাদ্য সামগ্ৰী দিয়া হোৱা নাই।

**(খ)** সৰুপথাৰ সম জিলাৰ পৰা পোৱা তথ্য অনুসৰি উক্ত অঞ্চলৰ সৰ্বমুঠ ৮১০১ (আঠ হাজাৰ এক শ এক) জন লোকৰ নাম ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত আছিল। ইয়াৰে বৰ্তমানলৈকে মুঠ ৭৯৫২ (সাত হাজাৰ ন শ বাৱন্ন) জনৰ নাম কৰ্তন কৰা হৈছে। বাকী সকলৰো নাম কৰ্তনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

*******

অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং : ৩৭
উত্তৰ দানৰ তাৰিখ : ১৮/০২/২০২৬
*বিষয়ঃ* **কৃষকৰ আঁচনি**
বিধায়কৰ নাম : শ্ৰী মজিবুৰ ৰহমানঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দলগাঁও বিধান সভা সমষ্টিত RIDF (গ্ৰাম্য আন্ত:গাঁঠনি উন্নয়ন পুঁজি) PMKSY (প্ৰধানমন্ত্ৰী কৃষি সিঞ্চন যোজনা) পূব ভাৰতৰ সেউজ বিপ্লব সাধন (BGREI) আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)ৰ অধীনত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) এই আঁচনি সমূহৰ জৰিয়তে কিমান সংখ্যক কৃষক বা হিতাধিকাৰীয়ে সুবিধা পাবলৈ সক্ষম হৈছে ? (বিতংভাবে জনাব)।

(গ) উক্ত সমষ্টিত ২০২৪-২৫ বিত্তীয় বৰ্ষত কিমানজনক 'ট্ৰেক্টৰ' (Tractor) আৰু (Power Tiller) পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। (হিতাধিকাৰীৰ তথ্য সহকাৰে সদনৰ মজিয়াত দাখিল কৰিব)।

(ঘ) ২০২৫-২৬ বিত্তীয় বৰ্ষত Tractor বিতৰণ কৰা হৈছিল যদিও হঠাৎ উক্ত আঁচনিটো বন্ধ কৰি দিয়াৰ কাৰণ কি? জনাব।

## উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব :

**(ক)** ১) দলগাঁও বিধান সভা সমষ্টিত RIDF (গ্ৰাম্য আন্ত:গাথনি উন্নয়ন পুজি) আঁচনিৰ অধীনত সৌৰচালিত/ ডিজেলচালিত পাম্পৰ সৈতে সংযোজিত অগভীৰ নলীনাদ বিতৰণ কৰা হৈছে ।

২) PMKSY (প্ৰধানমন্ত্ৰী কৃষি সিঞ্চন যোজনা) আঁচনিৰ অধীনত Drip আৰু Sprinkler Irrigation System লগতে ডিজেল, পেট্ৰল আৰু বৈদ্যুতিক পাম্প ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ মাজত ৰেহাই মূল্যত বিতৰণ কৰা হৈছে ।

৩) BGREI (পূব ভাৰতৰ সেউজ বিপ্লব সাধন) আঁচনি খন বৰ্তমানে দলগাঁৱৰ লগতে সমগ্ৰ অসমতে কাৰ্য্যকৰি হৈ থকা নাই।

৪) RKVY (ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা) অধীনত বিভিন্ন শস্যৰ বীজ যেনে মাটিমাহ, মাকৈ, গম, সৰিয়হ, আলু ইত্যাদি বিতৰণ কৰা হৈছে ।

(খ) এই আঁচনি সমূহৰ অধিনত ১) RIDF (গ্ৰাম্য আন্ত:গাথনি উন্নয়ন পুজি) আঁচনিৰ জৰিয়তে সুবিধা প্ৰাপ্ত মুঠ হিতাধিকাৰীৰ সংখ্যা ৭৯১ জন, তাৰে ভিতৰত

সৌৰচালিত পাম্পচেট প্ৰাপ্ত হিতাধিকাৰীৰ সবিশেষ –

| ক্ৰমিক নং | ব্লক | সৌৰচালিত পাম্পচেট সংযোজিত অগভীৰ নলীনাদ | | অগভীৰ নলীনাদহীন সৌৰচালিত পাম্পচেট | মুঠ |
|---|---|---|---|---|---|
| | | ফেজ- ১ (২০১৭-২০২১) | ফেজ - ২ (২০২১-২০২৪) | RIDF – XXIX (২০২৪) | |
| ১ | দলগাঁও শিয়ালমাৰী | ২২৪ | ৭৪ | ১০ | ৩০৮ |
| ২ | বেছিমাৰী | ১৫২ | ৭৬ | ১৫ | ২৪৩ |
| মুঠ: | | **৩৭৬** | **১৫০** | **২৫** | **৫৫১** |

ডিজেলচালিত পাম্পচেট প্ৰাপ্ত হিতাধিকাৰীৰ সবিশেষ -

| ক্ৰমিক নং | ব্লক | ডিজেলচালিত পাম্পচেট সংযোজিত অগভীৰ নলীনাদ | | মুঠ |
|---|---|---|---|---|
| | | ফেজ - ১ (২০১৭-২০২১) | ফেজ - ২ (২০২১-২০২৪) | |
| ১ | দলগাঁও শিয়ালমাৰী | ২১৮ | ৭ | ২২৫ |
| ২ | বেছিমাৰী | ১৫ | - | ২৫ |
| | মুঠ: | ২৩৩ | ৭ | ২৪০ |

২) PMKSY (প্ৰধানমন্ত্ৰী কৃষি সিঞ্চন যোজনা) আচঁনিৰ জৰিয়তে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১৬৩ জন আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩১০ জন মুঠ ৪৭৩ জন হিতাধিকাৰীয়ে সুবিধা পাবলৈ সক্ষম হৈছে আৰু

৩) RKVY ৰ (ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা) জৰিয়তে ৮১৩৫ জন হিতাধিকাৰীয়ে সুবিধা পাবলৈ সক্ষম হৈছে। বিতং তথ্য **Annexure-I** ত গাঠি দিয়া হ'ল।

**(গ)** উক্ত সমষ্টিত ২০২৪-২৫ বিত্তীয় বৰ্ষত SMAM আচঁনিৰ অধীনত ৪ টা কৃষক গোটক ট্ৰেক্টৰ, আৰু ২০ জন কৃষকক পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। হিতাধিকাৰিৰ তালিকা **Annexure-2** ত সংলগ্ন কৰা হ'ল।

তদুপৰি NMEO-OS আচঁনিৰ অধীনত উক্ত সমষ্টিত তিনিজন কৃষকক পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। হিতাধিকাৰিৰ তালিকা **Annexure-3** ত সংলগ্ন কৰা হ'ল।

**(ঘ)** 'কৃষি যান্ত্ৰিকীকৰণ উপ-অভিযান' (CSS-SMAM) আচঁনিৰ অধীনত ২০২৫-২৬ বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা ৫৩.৯০ কোটি টকা আবন্টনৰ বিপৰীতে ৰাজ্যিক পৰ্য্যায়ৰ অনুমোদন সমিতি (SLSC) য়ে ১২৫% বাৰ্ষিক কৰ্ম পৰিকল্পনাৰ (Annual action Plan) অনুমোদন জনায় কিন্তু কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি ২০২৫-২৬ বৰ্ষৰ আবন্টিত ধনৰ পৰা ২০২৪-২৫ বৰ্ষৰ বিপৰীতে থকা ৩৮.৫০ কোটি টকাৰ Committed Liability মুকলাই দিবলগীয়া হোৱাত ২০২৫-২৬ বৰ্ষৰ কাৰ্য্যাৱলী আংশিক ভাবে স্থগিত ৰখা হয়।

শেহতীয়াকৈ ২০২৬ বৰ্ষৰ জানুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩৬০০ খন পাৱাৰ টিলাৰৰ বাৱদ ৪৫ কোটি টকাৰ অতিৰিক্ত আবন্টন পোৱা হৈছে। ইয়াৰ ভিতৰত ১১০ খন পাৱাৰ টিলাৰ দৰং জিলাত দিয়া হৈছে আৰু তাৰে ভিতৰত ২৮ খন পাৱাৰ টলাৰ দলগাঁও সমষ্টিত দিয়া হৈছে।

* পৰিশিষ্ট (Annexure) সমূহ PDF আকাৰে অনলাইন যোগে দাখিল কৰা হ'ল।

*************

# অসম বিধান সভা
## তৰা চিহ্নিত প্ৰশ্ন নং : ৩৮
## উত্তৰ দিয়া তাৰিখ :১৮/০২/২০২৬

বিষয়: **প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম (PMJVK) আঁচনি সম্পৰ্কে।**

**শ্ৰী মতি শিৱামনি বৰা, মাননীয় বিধায়ক**

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰম (PMJVK) আঁচনিত অসমে ২০১৯-২০ বৰ্ষৰ পৰা কিমান পৰিমাণৰ পুঁজি আৱন্টন পালে? বৰ্ষ অনুসৰি বিতং তথ্য সদনত দাখিল কৰিব।

(খ) যদি আৱন্টন পাইছে, বৰ্ষ অনুসৰি কিমান পৰিমাণৰ আৱন্টন পালে ?

(গ) আৱন্টিত পুঁজিৰে কিমান সংখ্যক আঁচনি ৰূপায়ন কৰা হ'ল? বৰ্ষ অনুসৰি আঁচনিৰ নাম, জিলাৰ নাম, ব্লকৰ নাম, পঞ্চায়তৰ নাম, প্ৰাককলন মূল্য, আঁচনিৰ অগ্ৰগতিৰ বিতং তথ্য সদনত দাখিল কৰিব।

## <u>উত্তৰ</u>

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গৰ্লোচা মহোদয়াই উত্তৰ দিব।

(ক) ২০১৯–২০২০ বিত্তীয় বৰ্ষৰ বাবে সংখ্যালঘু পৰিক্ৰমা আৰু চৰ এলেকা, সঞ্চালকালয়ে মুঠ ₹ **৫৪৭৪৪.০৪ লাখ** টকাৰ পুঁজি লাভ কৰিছে।

বৰ্ষ অনুসৰি বিতং তথ্য তলত উল্লেখ কৰা হ'ল ।

| **বিত্তীয় বৰ্ষ** | **আৱণ্টিত পুঁজি** ( লাখত ) |
|---|---|
| ২০১৯-২০২০ | ৩৭৫৮.২৭ |
| ২০২০-২০২১ | ১২২৪১.২৯ |
| ২০২১-২০২২ | ৫১৫৬.৪৬ |
| ২০২২-২০২৩ | ১৬১৩০.৪৯ |
| ২০২৩-২০২৪ | ৫৭.৫৩ |
| ২০২৪-২০২৫ | ১২৯০০.০০ |
| ২০২৫-২০২৬ | ৪৫০০.০০ |
| **মুঠ** | **৫৪৭৪৪.০৪** |

(খ) উত্তৰ <u>www.cms.neva.gov.in</u> পৰ্টেলত **পৰিশিষ্ট "ক" হিচাপে দিয়া আছে** ।

(গ) PMJVK আঁচনি সমুহ জিলা উপায়ুক্ত (DC) ৰ জৰিয়তে ৰূপায়ণ কৰি থকা হৈছে। আঁচনি/প্ৰকল্পসমূহৰ তালিকা <u>www.cms.neva.gov.in</u> পৰ্টেলত **পৰিশিষ্ট "ক"** ত সংলগ্ন কৰা হৈছে।

-----------------------------

অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং –৩৯

উত্তৰ দিয়াৰ তাৰিখ : ১৮/০২/২০২৬

বিষয় : অসম চুক্তি অনুযায়ী বিদেশী চিনাক্তকৰণ ও বহিষ্কৰণ সম্পৰ্কত।   বিধায়ক: শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা:

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তি অনুযায়ী এতিয়ালৈকে কিমান বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ কৰা হ'ল?

(খ) অসম-বাংলাদেশ সীমান্তত কাঁটা তাৰৰ বেৰৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল? যদি সম্পূৰ্ণ হোৱা নাই, তেনেহ'লে সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(গ) অসম চুক্তিৰ ছয় নং দফা অনুযায়ী চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধিশ শ্ৰী বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠন কৰা প্ৰতিবেদন খনৰ পৰামৰ্শৱলী সমূহ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰে এতিয়ালৈকে কি কি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিলে?

(ঘ) বড়াগাঁৱৰ শ্বহীদ উদ্যান ক্ষেত্ৰখনৰ কাম সম্পূৰ্ণ হ'ল নে? ক্ষেত্ৰখনৰ বাবে এতিয়ালৈকে কিমান টকা ব্যয় হ'ল? উদ্যান ক্ষেত্ৰখনৰ বাবে সৰ্বমুঠ কিমান পুঁজি ধাৰ্য্য কৰা হৈছে?

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি অসম চুক্তি অনুযায়ী ৩১/১২/২০২৫ তাৰিখ পৰ্যন্ত মুঠ ১,৩৭,১৫২ জন লোকক ১৯৭১ চনৰ পিছৰ সময় সীমাৰ ভিতৰত অহা আৰু ৩৩,৪৮৫ জন লোকক ১৯৬৬-১৯৭১ চনৰ সময় সীমাৰ ভিতৰত অহা বিদেশী বুলি চিনাক্তকৰণ কৰা হৈছে আৰু বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী বুলি ঘোষিত কৰা হৈছে।

১৯৮৬ চনৰ পৰা ১২/০৩/২০১৩ চনলৈ ২৯,৬৬৩ জন অবৈধ বিদেশীক "Push Back" পদ্ধতিৰে নিজ দেশলৈ বিতাৰণ কৰা হৈছে। ইয়াবে ২৮,৭৬৫ জন নতুনকৈ প্ৰবেশ কৰা অবৈধ বিদেশী আৰু ৮৯৮ জন ঘোষিত বিদেশী।

১৩/০৩/২০১৩ চনৰ পৰা ৩১/০১/২০২৬ লৈ ৪৬৮ জন অবৈধ বিদেশীক নিজ দেশলৈ "Deportation' প্ৰক্ৰিয়াৰে ওভটাই পঠোৱা হৈছে। ইয়াৰ ভিতৰত ৪৫৮ জন অভিযুক্ত বিদেশী আৰু ১০ জন ঘোষিত বিদেশী।

তাৰোপৰি ০১/০২/২০২৫ ৰ পৰা ৩১/০১/২০২৬ তাৰিখ পৰ্যন্ত ১৪২১ জন অবৈধ বিদেশীক ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ নিৰ্দেশ মৰ্মে "Sent Back" পদ্ধতিৰে বিতাৰণ কৰা হয়।

ইয়াৰোপৰি, ২০/১২/২০২৫ চনৰ পৰা ৩১/০১/২০২৬ লৈ ৫১ জন ঘোষিত বিদেশী আৰু ১ জন নতুন অনুপ্ৰবেশকাৰী (মুঠ ৫২ জন অবৈধ বিদেশীক), The Immigrants (Expulsion from Assam) Act, 1950 আইনৰ অধীনত দেশৰ পৰা বহিষ্কাৰ কৰা হৈছে।

(খ) সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ভাৰত বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কি.মি. (Survey of India ৰ তথ্য অনুসৰি), অসমৰ ধুবুৰী,দক্ষিণ-শালমাৰা-মানকাচৰ,কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত সংলগ্ন হৈ আছে । এই সীমাৰ ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মান কৰা হৈছে আৰু বাকী থকা অংশ নদী অঞ্চল হোৱা বাবে কাইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই ।বেৰ নিৰ্মাণ কৰিবলৈ বাকী থকা অংশৰ অন্তৰ্গতশ্ৰী ভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা আন্তঃৰাষ্ট্ৰীয় সীমাৰ ৪.৩৫ কি.মি অংশ Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে এক শাৰীৰ কাঁইটীয়া তাঁৰৰ বেৰ(Single Line Fencing) দিব পৰা হোৱা নাই ।নদী অঞ্চলসমূহত BSF এ Comprehensive Integrated Border Management System (CIBMS)ৰ জৰিয়তে আৰু নৌকা পৰ্য্যবেক্ষণ চকীস্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আহিছে ।

(গ) অসম চুক্তিৰ ৬নং দফা ৰূপায়ণৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰাক্তন ন্যায়াধীশ শ্ৰী বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছিলে। এই প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ হৈ অসম চৰকাৰে গ্ৰহন কৰিছিল। ৬নং দফা ৰূপায়ণৰ উদ্দেশ্যে বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত ইয়াৰ লগত জড়িত বিভাগ সমুহ আৰু AASUৰ সৈত কেইবালানি আলোচনা কৰা হৈছিল। বিপ্লৱ কুমাৰ শৰ্মাৰ সমিতিৰ প্ৰতিবেদনৰ মুঠ ৬৭ টা পৰামৰ্শৰ ভিতৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৰাজ্য চৰকাৰৰ আওঁতাত পৰা ৫২টা পৰামৰ্শ ৰূপায়ণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। বাকী থকা ১৫টা পৰামৰ্শ সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ আওঁতাত পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ আওঁতাত পৰা ১৫টা পৰামৰ্শ ৰূপায়ণৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰে যোগাযোগ আৰম্ভ কৰিছে।

(ঘ) অসম চৰকাৰ লোকনিৰ্মাণ বিভাগ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ)ৰ পৰা পোৱা তথ্য অনুসৰি বড়াগাওঁৰ শ্বহীদ উদ্যান ক্ষেত্ৰৰ প্ৰথম পৰ্য্যায়ৰ কাম ১০০% সম্পূৰ্ণ হৈছে, দ্বিতীয় পৰ্য্যায়ৰ কাম ৮০% সম্পূৰ্ণ হৈছে।

প্ৰথম পৰ্য্যায়ৰ বাবে ৮৩,০৭,৭৩,৮৯৫.০০ টকা, দ্বিতীয় পৰ্য্যায়ৰ বাবে ১৮,৭৪,৫৮,০০০.০০ টকা, সৰ্বমুঠ ১০১,৮২,৩১,৮৯৫.০০ টকা ব্যয় হৈছে।

প্ৰথম পৰ্য্যায়ৰ বাবে ৯৪,৬৬,০২,৯৪৭.০০ টকা, দ্বিতীয় পৰ্য্যায়ৰ বাবে। ৮৪,০১,২৭,০০০ টকা, সৰ্বমুঠ ১৭৮,৬৭,২৯,৯৪৭.০০ টকা ধাৰ্য্য কৰা হৈছে।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট “https://cms.neva.gov.in "ত আপলোড কৰা হৈছে।

অসম বিধান সভা
উত্তৰদানৰ তাৰিখ-১৮/০২/২০২৬
*তৰাযুক্ত প্ৰশ্ননং - ৪০
*বিষয়* : সীমান্ত সুৰক্ষা আৰু নিৰাপত্তা
ড° অমিয় কুমাৰ ভূঞা:

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

অসম-অৰুণাচল সীমান্তৰ প্ৰকৃত সীমাৰেখা নিৰ্ণয়ৰ ক্ষেত্ৰত চৰকাৰে চূড়ান্ত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মাজে সময়ে দুয়োটা দিশৰ পৰা সংঘাতৰ সৃষ্টি হোৱা বিষয়টো অৱগত নে ? যদিহে অৱগত, তেনেহ'লে সীমান্তৰ সমস্যা স্থায়ীভাৱে সমাধান কৰিবলৈ চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

উত্তৰ

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

সীমা সংঘাতৰ বিষয়ে চৰকাৰ অৱগত হয় আৰু এই ক্ষেত্ৰত স্থানীয় জিলা প্ৰশাসনে সময়ে সময়ে সীমা সমন্ধীয় সংঘাত নিৰাময় কৰিবলৈ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে|

অসমৰ ৮ খন জিলা আৰু অৰুণাচল প্ৰদেশৰ ১২ খন জিলাৰ মাজেৰে ৮০৪.১ কি:মি: আন্তঃৰাজ্যিক সীমা বিস্তৃত হৈ আছে| অসম অৰুণাচল প্ৰদেশৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্যৰ চৰকাৰে ১২ খনকৈ আঞ্চলিক কমিটি (Regional Committee) গঠন কৰে। দুয়োখন ৰাজ্যৰে পাৰস্পৰিক আঞ্চলিক কমিটিবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ লগত আলোচনাৰ লগতে কমিটিবোৰৰ পাৰস্পৰিক মত বিনিময়ৰ দ্বাৰা নিজ নিজ চৰকাৰক অৱগত কৰাৰ পিছত দুয়োখন চৰকাৰে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা লৈছে। এই ক্ৰমে যোৱা ইং ১৫/০৭/২০২২ তাৰিখে দুয়োখন ৰাজ্যৰ মাননীয় মুখ্য মন্ত্ৰীৰ দ্বয়ে অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩ খন গানৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ নামচাই চুক্তি স্বাক্ষৰিত কৰে| পৰৱৰ্তী সময়ত যোৱা ইং ২০/০৪/২০২৩ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ মাননীয় গৃহ মন্ত্ৰী মহোদয়ৰ উপস্থিতিত দুয়োখন ৰাজ্যৰ মাননীয় মুখ্য মন্ত্ৰীৰ দ্বয়ে নতুন দিল্লীত বুজাবুজিৰ চুক্তি (Memorandum of Understanding) কৰে|

বুজাবুজি চুক্তিত উল্লেখ কৰা মৰ্মে অসম-অৰুণাচল প্ৰদেশৰ সীমাৰ অৰুণাচল প্ৰদেশে দাবী কৰা সৰ্বমুঠ ১২৩ খন গাওঁৰ ভিতৰত এতিয়ালৈকে ৭১ খন গাওঁৰ সীমা বিবাদ নিষ্পত্তি কৰা হৈছে আৰু বাকী থকা ৫২ খন গাওঁৰ সীমা নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া চলি আছে। সীমা বিবাদ নিষ্পত্তি কৰা গাওঁৰ ভিতৰত শোণিতপুৰ জিলাৰ অন্তৰ্গত দুখন গাওঁ ক্ৰমে কামেংবাৰী আৰু ভালুকপুং ত সীমা জৰীপ (Pilot Survey) ৰ কাম ইতিমধ্যে সমাপ্ত হৈছে।

বাকী থকা গাওঁৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ খণ্ড খণ্ড কৈ মুঠ ২৪৩.৮৫ কিঃমিঃ আন্তঃৰাজ্যিক সীমা নিশ্চিত কৰা হৈছে| ইয়াৰে অৰুণাচল প্ৰদেশৰ পাক্কে কেচাং জিলা আৰু অসমৰ বিশ্বনাথ জিলাৰ মাজৰ ৩৮.৯৩ কিঃমিঃ দৈৰ্ঘ্যৰ সীমা দুয়ো ৰাজ্যৰ প্ৰতিনিধি উপস্থিতিত যোৱা ইং ০৯/০২/২০২৬ তাৰিখৰ পৰা SURVEY OF INDIA (SOI) এ জৰীপৰ কাম কৰি আছে|

**বিঃদ্ৰঃ** – উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

********